**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 29-09-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা অষ্টমী। আজি দেৱীক মহাগৌৰীৰ ৰূপত পূজা-অৰ্চনা কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয় বিচাৰি শক্তিৰূপিনী দুৰ্গাৰ আৰাধনা কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। উগ্ৰতাৰা দেৱালয়ত আজি দুৰ্গা পূজাৰ মহা অষ্টমীত ভক্তসকলে দেৱীৰ আশীষ গ্ৰহণ কৰে। মাৰ্কণ্ডেয় মুনিৰ আশ্ৰমখ্যাত উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়ত ভক্তসকলে বৈদিক পৰম্পৰাৰে দেৱীক আৰাধনাৰ লগতে পূজা-অৰ্চনা কৰিছে।

বিত্তমন্ত্ৰী অজন্তা নেওগে গোলাঘাট চহৰৰ মাজমজিয়াত আয়োজন কৰা কেইবাখনো পূজাস্থলীত উপস্থিত হৈ ৰাজ্যবাসীৰ কল্যাণ কামনা কৰি দেৱী দুৰ্গাৰ চৰণত সেৱা আগবঢ়াইছে।

**শিৱসাগৰ** জিলাত ১৭৩৪ চনত ৰাণী অম্বিকাই প্ৰতিষ্ঠা কৰা ২৯১ বছৰীয়া ঐতিহাসিক দেৱী দৌলত আধ্যাত্মিকতাৰ মাজেৰে শাৰদীয় পূজা অনুষ্ঠিত হৈছে।

জুবিন গাৰ্গৰ বিয়োগে জনসাধাৰণৰ মন সেমেকা কৰি ৰাখিছে যদিও **ডিব্ৰুগড়** জিলাতো পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰা হৈছে।

**নগাঁও** জিলাত চাৰিশৰো অধিক পূজা সমিতিয়ে এইবাৰ দুৰ্গা পূজাৰ আয়োজন কৰিছে। অৱশ্যে এইবাৰ আনন্দ উল্লাসৰ পৰিৱৰ্তে অনাড়ম্বৰভাৱে দেৱীক আৰাধনা কৰা হৈছে।

**বৰাক** উপত্যকাৰ জিলাকেইখনতো শাৰদীয় দুৰ্গাপূজাৰ মহা অষ্টমী উপলক্ষে আজি পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। শিলচৰৰ ঐতিহ্যমণ্ডিত ৰামকৃষ্ণ মিছন সেৱাশ্ৰমত পুৱাৰেপৰা অগণন ভক্তৰ সমাগম হৈছে।

**ধুবুৰী** জিলাৰ বিভিন্ন অঞ্চলত আজি দেৱীক মহাষ্টমীত মহা গৌৰীৰ ৰূপত পূজা কৰা হৈছে। দিনৰ ১ বাজি ২১ মিনিটত সন্ধি পূজা কৰা হ'ব।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত আজি ছিংগাপুৰলৈ অসম আৰক্ষী অপৰাধ অনুসন্ধান শাখাৰ দুগৰাকী বিষয়া ৰাওনা হ'ব। এই ঘটনাৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিৰ বিষয়াইও দিল্লীত ঘটনাৰ অনুসন্ধাৰ বাবে উপস্থিত আছে। ইপিনে ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ ঘটনাৰ তদন্তৰ পৰিপ্ৰেক্ষিতত ছিংগাপুৰৰ সৈতে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ আহ্বান জনাবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ক আনুষ্ঠানিকভাৱে আবেদন জনাইছে। এই আহ্বানৰ পাছতে গোচৰটোৰ তদন্তৰ ক্ষেত্ৰত ছিংগাপুৰে সবিশেষ তথ্য প্ৰদান কৰাৰ লগতে অভিযুক্তক ওভতাই অনা আৰু ন্যায় প্ৰদান নিশ্চিত কৰাত সহায় হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয়, যে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ সন্ধান অসম

আৰক্ষীয়ে লাভ কৰিছে। অহা ২-৩ দিনৰ ভিতৰত অভিযুক্ত শ্যামকানু মহন্ত গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

আৰক্ষী সঞ্চালকপ্ৰধান হৰমিৎ সিঙে সাংবাদিকৰ আগত কয় যে এই ঘটনাৰ অনুসন্ধানৰ বাবে এছ আই টিয়ে ইতিমধ্যে ভালেমান তথ্য লাভ কৰিছে যদিও এতিয়াই তথ্যসমূহ ৰাজহুৱা কৰিব পৰা নাযায়। তেওঁ এই তদন্ত প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অসম আৰক্ষীৰ ওপৰত আস্থা ৰাখিবলৈ জনসাধাৰণক আহ্বান জনোৱাৰ লগতে উৰা বাতৰিত পতিয়ন যোৱা আৰু ভ্ৰান্ত তথ্য প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ সকলোকে আহ্বান জনায়।

শিল্পী জুবিন গাৰ্গৰ সম্পৰ্কীয় ভাতৃ সন্দিপন গাৰ্গক আজি বিশেষ তদন্তকাৰী গোটে সোধাপোছা কৰিব। উল্লেখযোগ্য যে, ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ বাবে জুবিন গাৰ্গৰ সৈতে সন্দিপন গাৰ্গ একেলগে গৈছিল। সেই সন্দৰ্ভতে আজি বিশেষ তদন্তকাৰী গোটে তেওঁক সোধাপোছা কৰাৰ কথা।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙৰ এই মন্তব্যৰ পিছতে অভিযুক্ত শ্যামকানু মহন্তই আত্মসমৰ্পনৰ বাবে সাজু হোৱাৰ কথা জানিব পৰা গৈছে। সামাজিক মাধ্যম ফেচবুকৰ এটা পোষ্টত তেওঁ কয় যে শীঘ্ৰে তেওঁ অসমলৈ আহি আছে। আৰক্ষীৰ সৈতে ইতিমধ্যে যোগাযোগ কৰাৰ কথাও তেওঁ পোষ্টটোত উল্লেখ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শনৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত জুবিন গাৰ্গৰ বিয়োগে অসমত অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে এয়া শিল্পীগৰাকীৰ পৰিয়ালৰ বাবে কেৱল নহয়, বৰং সমগ্ৰ ৰাজ্য আৰু দেশৰ বাবে বৃহৎ ক্ষতি।

ইপিনে, শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে এজাহাৰ দাখিল কৰাৰ পাছত কালি জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গে এই বিষয়ে সংবাদ মাধ্যমৰ আগত কয়, যে তেওঁ ন্যায় বিচাৰে আৰু তদন্ত প্ৰক্ৰিয়াৰ ওপৰত আস্থা ৰাখিছে। ছিংগাপুৰৰ ৰহস্যজনক দ্বীপটোলৈ জুবিন গাৰ্গক কিয় লৈ যোৱা হৈছিল আৰু কি পৰিস্থিতিত এই ঘটনা ঘটিবলৈ পালে এই প্ৰশ্নসমূহৰ উত্তৰ তেওঁ পোৱা উচিত বুলিও শ্ৰীমতী গাৰ্গে মন্তব্য কৰে। শিল্পীগৰাকীৰ মৃত্যুৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিয়ে কালি বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামী, আৰু কণ্ঠ শিল্পী অমৃতপ্ৰভা মহন্তক পুনৰ জেৰা কৰে।

ইপিনে শিল্পীগৰাকীৰ আদ্যশ্ৰাদ্ধ উপলক্ষে কালি তেওঁৰ কাহিলীপাৰাস্থিত বাসগৃহত মাংগলিক অনুষ্ঠানৰ লগতে বিভিন্ন স্থানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সোণাপুৰৰ কমাৰকুছিত শিল্পীগৰাকীৰ শেষকৃত্যথলীত কালি সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কাইলৈ যোৰহাট ষ্টেডিয়ামত শিল্পীগৰাকীৰ শ্ৰাদ্ধানুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠান সুচাৰুৰূপে চলাই নিয়াৰ বাবে মন্ত্ৰী বিমল বৰাই যোৰহাট ষ্টেডিয়ামত উপস্থিত হৈ কৰ্ণাধৰ সমিতিৰ সৈতে বৈঠকত মিলিত হৈ অনুষ্ঠান সুকলমে সম্পন্ন কৰিবলৈ সকলোৰে সহায় সহযোগিতা কামনা কৰিছে। ইতিমধ্যে যোৰহাট ষ্টেডিয়ামত অনুৰাগী গুণমুগ্ধ আৰু সতীৰ্থ শিল্পীয়ে ১৩ দিনীয়া মাংগলিক অনুষ্ঠানৰ বাবে ভিন্ন কাৰ্যসূচী হাতত লৈছে। মন্ত্ৰী বিমল বৰাই যোৰহাট ষ্টেডিয়ামত জিলা প্ৰশাসনৰ লগতে অনুৰাগী আৰু শিল্পীসমাজৰ সৈতে আলোচনাত মিলিত হৈ প্ৰস্তুতিৰ নিৰীক্ষণ কৰিছে।

0000000

গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এচ'ছিয়েছনৰ ষ্টেডিয়ামত আজি আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব। উদ্বোধনী খেলখনত ভাৰতৰ মহিলা ক্ৰিকেট দলটো শ্ৰীলংকাৰ মুখামুখি হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। আজি উদ্বোধনী অনুষ্ঠানৰ ৪০ মিনিট সময় সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ সন্মানাৰ্থে উৎসৰ্গিত হ'ব বুলি বি চি চি আইয়ে সদৰি কৰিছে। বলিউদৰ বিশিষ্ট কণ্ঠশিল্পী শ্ৰেয়া ঘোষালে আজি উদ্বোধনী অনুষ্ঠানত জুবিন গাৰ্গৰ মায়াবিনী গীতটোৰে শ্ৰদ্ধাঞ্জলি জনাব। ইপিনে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া খেলখনৰ বাবে আজি যান-বাহন চলাচলৰ ক্ষেত্ৰত গুৱাহাটী মহানগৰীৰ যান-বাহন শাখাই বিশেষ নীতি-নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০০

**সমাপ্ত**